**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

Date : 13-03-2026
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

১।  দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। প্ৰায় ১৯ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।
২।  জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ স্বতন্ত্ৰ আদালতৰ জৰিয়তে নিৰীক্ষণৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ শুনানি গ্ৰহণ। ২ এপ্ৰিলত গোচৰৰ পৰৱৰ্তী শুনানি।
৩।  ৰাজ্যৰ বিভিন্ন জিলাত অসম মালা আঁচনিৰ তৃতীয় পৰ্যায়ত পথৰ আধাৰশিলা স্থাপন।
৪।  গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কামৰূপ মহানগৰ জিলাৰ জনজাতীয় বেলটত উচ্ছেদৰ অনুমতি প্ৰদান। ***আৰু***
৫।  এফ আই এইচ হকী মহিলা বিশ্বকাপত অংশগ্ৰহণৰ বাবে ভাৰতৰ যোগ্যতা অৰ্জন।

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰায় ১৯ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। দুপৰীয়া প্ৰায় ডেৰ বজাত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰ ভ্ৰমণ বাতিল কৰি গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনৰ ৪ হাজাৰ ৫৭০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। তেওঁ কোকৰাঝাৰ জিলাৰ বাঁশবাৰীত ২৫৬ কোটি টকা ব্যয়সাপেক্ষ মালবাহী ৰে'লৰ নিয়মিত মেৰামতি কাৰখানা, এহেজাৰ ১০১ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা কেইবাখনো উৰণ সেঁতু আৰু সোণকোষ আৰু বেঁকী নদীৰ ওপৰত দুখন দলঙৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ লগতে শ্ৰী মোদীয়ে উন্নত যাতায়াত ব্যৱস্থাৰ জৰিয়তে বি টি চি এলেকাৰ উন্নয়নৰ লক্ষ্যৰে কামাখ্যা-সৰ্বপল্লী অমৃত ভাৰত এক্সপেছ, গুৱাহাটী-নিউ জলপাইগুৰি এক্সপেছ আৰু নাৰেংগী-আগৰতলা এক্সপেছ ৰে'লসেৱাৰো পতাকা জোকাৰি শুভাৰম্ভ কৰে। ভাষণ প্ৰসংগত শ্ৰী মোদীয়ে ৰে'লসেৱাই বাণিজ্য আৰু পৰ্যটনৰ সম্ভাৱনা বৃদ্ধি কৰিব বুলিও মন্তব্য কৰে।

**বাইট (পি এম)**

ইয়াৰ পাছত বিয়লি খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অন্য এটা কাৰ্যসূচীত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে আন্তঃগাঁথনি আৰু শক্তিখণ্ডৰ উন্নয়নেৰে সবল অসম নিৰ্মাণৰ লক্ষ্যৰে ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে দুহেজাৰ ৪১৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ১২০ মেগাৱাট শক্তিসম্পন্ন কপিলী জলবিদ্যুৎ প্ৰকল্প, ৭৫০ কোটি টকা ব্যয়সাপেক্ষ নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট পাইপলাইনৰ ক্ষমতা বৃদ্ধি আৰু ৩ হাজাৰ ৮০০ কোটি টকা ব্যয়সাপেক্ষ উত্তৰ-পূব গেছ গ্ৰীডৰ প্ৰথম পৰ্যায় উদ্বোধন কৰে। তেওঁ লগতে নুমলীগড় শোধনাগাৰ লিমিটেডৰ ৰে'ল সংযোগী পি অ' এল টাৰ্মিনেল আৰু কেইবাটাও মুখ্য ৰে'লপথৰ বৈদ্যুতিকীকৰণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। ইয়াৰ ভিতৰত ৰঙিয়া-মুৰ্কংচেলেক, চাপৰমুখ-ডিব্ৰুগড়, বদৰপুৰ-শিলচৰ আৰু বদৰপুৰ-চুৰাইবাৰী ৰে'লপথো আছে। তেওঁ লগতে ফৰকাটিং-তিনিচুকীয়া

ৰে'লৱে লাইন দ্বৈতকৰণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে । প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ বেতকুছিত নিৰ্মাণ কৰা ৰাজ্যৰ প্ৰতিখন জিলা আৰু দেশৰ প্যতিখন ৰাজ্যৰ দোকান-পোহাৰেৰে সু-সজ্জিত, এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ আদৰ্শক প্ৰতিনিধিত্ব কৰা একতা মলৰো উদ্বোধন কৰে । তেওঁ লগতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তিও মুকলি কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ ৭০৭ খন চাহ বাগিচাত বাস কৰা ৩ লাখ ৫০ হাজাৰৰো অধিক পৰিয়ালক ভূমিপট্টা প্ৰদান কৰে। প্ৰথম পৰ্যায়ত ২০ খন জিলাৰ ১০৬ খন চাহ বাগিচাৰ শ্ৰমিকসকলক ভূমিপট্টা প্ৰদান কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকি মূখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চাহ জনগোষ্ঠীৰ লোকসকলে পাবলগীয়া সা-সুবিধাসমূহ সম্পৰ্কে উল্লেখ কৰে।

**বাইট (চি এম)**

- দুদিনীয়া ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে সৰ্বমুঠ ৪৭ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ কাইলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ বাবে শিলচৰত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

উল্লেখযোগ্য যে আজি দুপৰীয়া প্ৰায় ডেৰ বজাত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীক ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আদৰণি জনায়।

০০০০০

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত এখন স্বতন্ত্ৰ, আদালতৰ জৰিয়তে নিৰীক্ষণ কৰাৰ বাবে জনোৱা ৰাজহুৱা স্বাৰ্থ জড়িত আৱেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি শুনানি গ্ৰহণ কৰে। এই শুনানিত কেউজন অভিযুক্তক ভাৰ্চুৱেল মাধ্যমেৰে আদালতত হাজিৰ কৰোৱা হয়। অহা ২ এপ্ৰিলত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। অভিযুক্ত শেখৰ জ্যোতি গোস্বামীয়ে গোচৰৰ যাৱতীয় নথিপত্ৰ লাভ নকৰা বুলি আদালতত দাখিল কৰা আবেদনৰ চৰকাৰী অধিবক্তাই বিৰোধিতা কৰাৰ পৰিপ্ৰেক্ষিতত অভিযুক্তজনৰ অধিবক্তাই আজি আবেদনখন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়।

ইপিনে, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতে আজি চূড়ান্ত ৰায়দান কৰাৰ কথা আছিল যদিও ৰায়দান স্থগিত ৰখা হয়। চূড়ান্ত ৰায়দানৰ দিন অতি শীঘ্ৰে ঘোষণা কৰা হ'ব বুলি আদালতে জনায়। ০

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ প্ৰায় ২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এইচ এম পথৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যজুৰি গ্ৰহণ কৰা অসম মালা আঁচনি তৃতীয় পৰ্যায়ৰ অধীনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই পথছোৱাৰ আধাৰশিলা স্থাপন কৰাৰ পাছত হাতশিঙিমাৰীত এটা অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত বিধায়ক আমিনুল ইছলাম, প্ৰাক্তন বিধায়ক জাভেদ ইছলাম আৰু জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাও উপস্থিত থাকে। এই সন্দৰ্ভত জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই এইদৰে কয় -

বাইট

ইপিনে, বিশ্বনাথ জিলাৰ গহপুৰতো প্ৰধানমন্ত্ৰীগৰাকীয়ে অসম মালা আঁচনিৰ অধীনত আজি ২৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা পকী পথৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে আধাৰশিলা স্থাপন কৰা

পথটো নিৰ্মাণত ৮০ কোটি টকা ব্যয় কৰা হ'ব। এই পথটো ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বিকল্প পথ হিচাপে ব্যৱহাৰ কৰা হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত বিধায়ক উৎপল বৰাৰ লগতে ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে কামৰূপ মহানগৰ জিলাৰ জনজাতীয় বেলট আৰু ব্লকৰ মাটি দখল কৰি থকা ১৩৫ টা পৰিয়ালক উচ্ছেদ কৰাৰ বিষয়ত অনুমতি প্ৰদান কৰিছে। আজাৰাৰ ৰাজহ চক্ৰ বিষয়াই বাসস্থান খালী কৰাৰ বাব ইতিপূৰ্বে জাৰি কৰা তিনিখন জাননীক প্ৰত্যাহ্বান জনাই সংশ্লিষ্ট পৰিয়াল কেইটাই দাখিল কৰা এখন লেখ আবেদন খাৰিজ কৰি ন্যায়ালয়ে এই সন্দৰ্ভত ৰায় দান কৰে। উল্লেখযোগ্য যে জাননী লাভ কৰা পৰিয়াল কেইটা এই মাটিৰ গৰাকী নহয় বুলি উল্লেখ কৰি ইয়াৰ বাবে তেওঁলোকক পাৰাৰ অৱ এটৰ্নি দিয়া আছে বুলি আবেদনকাৰীসকলে আদালতক জনাইছে।

০০০০০

মৰিগাওঁ জিলাৰ শিক্ষা বিভাগৰ উদ্যোগত আৰু মেজিক বাছ ইণ্ডিয়া ফাউণ্ডেছনৰ সহযোগত আজি জীৱন দক্ষতা বিকাশ সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। অনুষ্ঠানত মৰিগাওঁ জিলাৰ অতিৰিক্ত আয়ুক্ত, জিলা আঁচনি বিষয়া আৰু মেজিক বাছ ইণ্ডিয়া ফাউণ্ডেছনৰ ৰাজ্যিক মুৰব্বী উপস্থিত থকাৰ লগতে জিলা সহায়ক বিষয়া, মিছন সমৃদ্ধি, বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। এই কৰ্মশালাত জীৱন দক্ষতাই ছাত্ৰ-ছাত্ৰীৰ আচৰণগত, শৈক্ষিক আৰু প্ৰশাসনিক দিশত কেনেধৰণৰ ধনাত্মক প্ৰভাৱ পেলাব পাৰে, সেই বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত জীৱন দক্ষতা বিষয়ক বিভিন্ন দিশত আলোকপাত কৰা হয়। যাৰ জৰিয়তে শিক্ষাৰ্থীসকলে প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ সৈতে যুঁজিবলৈ সামৰ্থ আহৰণ কৰিব পাৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত **বায়ু প্ৰদূষণজনিত বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ** শীৰ্ষক আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য বিষয়ক ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ ন'ডেল বিষয়া **ডাঃ কনক চন্দ্ৰ তালুকদাৰ** আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ মুখ্য পৰিৱেশ বিজ্ঞানী **গৌতম কৃষ্ণ মিশ্ৰ** উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই।

০০০০০

তামুলপুৰ জিলাৰ মটঙাপাৰাত সশস্ত্ৰ সীমা বলৰ উদ্যোগত আজি এটা বিনামূলীয়া পশু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। দৰঙা সীমান্ত চকীৰ অন্তৰ্গত মটঙাপাৰাত এছ এছ বিৰ ৬৪ নম্বৰ বাহিনীৰ কমাণ্ডেণ্ট অনুজ কুমাৰৰ বিশেষ নিৰ্দেশনাত আৰু উত্তৰ-পূৱ  ক্ষেত্ৰৰ নাগৰিক কল্যাণ আঁচনিৰ অধীনত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গুৱাহাটী সীমান্ত সদৰৰ চিকিৎসক ডাঃ ই চৌবা সিঙৰ সভাপতিত্বত অনুষ্ঠিত এই শিবিৰত অঞ্চলটোৰ একাংশ কৃষিজীৱি ৰাইজে তেওঁলোকৰ পোহনীয়া গাই গৰু, দামুৰি, ছাগলী আৰু গাহৰী আদিৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰে। শিবিৰত ৪০ টাতকৈও অধিক পশুৰ বিনামুলীয়া চিকিৎসা কৰাৰ লগতে প্ৰয়োজনীয় ঔষধ পাতিও বিনামুলীয়াকৈ যোগান ধৰা হয়। এই শিবিৰৰ জৰিয়তে অঞ্চলটোৰ ২৩ টা পৰিয়াল প্ৰত্যক্ষভাৱে উপকৃত হৈছে বুলি আমাৰ তামুলপুৰৰ সংবাদদাতাই জনাইছে।

০০০০০

মাজুলী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত আজি মহাবিদ্যালয়ত এখন সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় সুৰক্ষা সপ্তাহৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এই অনুষ্ঠান ইন্দ্ৰধনুষ গেছ গ্ৰীড প্ৰকল্পৰ উদ্যোগত অনুষ্ঠিত হয়। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক প্ৰাকৃতিক গেছ পাইপ লাইনেৰে সংযোগ কৰাৰ লক্ষ্যৰে তথা প্ৰতিষ্ঠিত প্ৰাকৃতিক গেছ পাইপ লাইন নিৰ্মাণ, উন্নয়ন আৰু পৰিচালনাৰ সৈতে জড়িত এই সংস্থাটোৰ লক্ষ্য

সম্পৰ্কে বিভাগৰ অভিযন্তা বাৰ্বি ৰাজখোৱাই সকলোকে অৱগত কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজন কৰা কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলকো এই অনুষ্ঠানতে পুৰস্কৃত কৰা হয়।

০০০০০

ভাৰতে আজি পশ্চিম এছিয়া অঞ্চলৰ অস্থিৰ পৰিস্থিতিৰ মাজতে ইৰাণক ইন্ধন আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ বাধাহীন সৰবৰাহৰ গুৰুত্বৰ বিষয়ে সোঁৱৰাই দিয়ে। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত অনুষ্ঠিত আন্তঃমন্ত্ৰালয় বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেশ্কিয়ানৰ সৈতে মত-বিনিময় কৰাৰ কথা প্ৰকাশ কৰে। শ্ৰী জয়ছোৱালে এই মত-বিনিময়ৰ সময়ত ইৰাণৰ লগতে পশ্চিম এছিয়া অঞ্চলত বসবাস কৰা ভাৰতীয় নাগৰিকৰ সুৰক্ষা আৰু নিৰাপত্তাক দেশে সৰ্বাধিক অগ্ৰাধিকাৰ দিয়াত গুৰুত্ব দিছে বুলি জানিবলৈ দিয়ে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ত পশ্চিম এছিয়াৰ পৰিস্থিতিৰ প্ৰেক্ষাপটত স্থাপন কৰা নিয়ন্ত্ৰণ কক্ষই পূৰ্ণগতিত কাম কৰি থকা বুলি উল্লেখ কৰি শ্ৰীজয়ছোৱালে বৰ্তমানলৈকে প্ৰায় ৯০০ ফোনকল আৰু ২০০ ইমেইল লাভ কৰা বুলিও জানিবলৈ দিয়ে। যোৱা কেইটামান দিনত ১৭০ গৰাকী ভাৰতীয় নাগৰিকে ইৰাণৰ সীমান্ত অঞ্চলেৰে আৰ্মেনিয়ালৈ যোৱা বুলিও তেওঁ প্ৰকাশ কৰে।

এই বৈঠকতে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰ্যালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই বৈঠকত পেট্ৰ'ল আৰু ডিজেল উৎপাদনৰ ক্ষেত্ৰত আমাৰ দেশ স্বনিৰ্ভৰ বুলি মন্তব্য কৰে। দেশৰ সকলো শোধনাগাৰে বৰ্তমান ১০০ শতাংশ ক্ষমতাৰে কাম কৰি আছে আৰু খাৰুৱা তেলৰ ক্ষেত্ৰত পৰ্যাপ্ত ভাণ্ডাৰ মজুত থকা বুলিও তেওঁ জানিবলৈ দিয়ে। ৰন্ধন গেছৰ নাটনি সন্দৰ্ভত যুটীয়া সচিবগৰাকীয়ে কয়, যে এইটো কিছু পৰিমাণে উদ্বেগৰ বিষয় যদিও বৰ্তমান দেশৰ ২৫ হাজাৰ বিতৰকৰ ভিতৰত কাৰোৰেই ওচৰত ৰন্ধন গেছৰ আকাল হোৱা নাই। তেওঁ লগতে নাগৰিকসকলক ৰন্ধন গেছৰ যোগান সন্দৰ্ভত কোনোধৰণৰ উৰা বাতৰিত আতংকিত হৈ অযথা মজুত-ক্ৰয় নকৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ৰন্ধন গেছৰ ক'লা বজাৰ আৰু অবৈধ মজুতকৰণৰ বিৰুদ্ধে উচিত ব্যৱস্থা লোৱাৰ কথাও প্ৰকাশ কৰে।

ৰন্ধন গেছৰ চিলিণ্ডাৰৰ অযথা মজুতকৰণৰ বিৰুদ্ধে ৰাজ্য চৰকাৰেও ইতিমধ্যে কঠোৰ স্থিতি লৈছে। ৰন্ধন গেছৰ চিলিণ্ডাৰৰ ক'লা বজাৰ চলোৱা অসাধু চক্ৰৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নিৰ্দেশ জাৰি কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কালি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কোনো চক্ৰই যাতে অতিৰিক্ত চিলিণ্ডাৰ ক্ৰয় কৰি ক'লা বজাৰ চলাব নোৱাৰে তাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে সকলো জিলাৰ আয়ুক্তলৈ নিৰ্দেশ জাৰি কৰা হৈছে বুলি ড° শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে ৰন্ধন গেছৰ চিলিণ্ডাৰ বুকিঙৰ সময়সীমা বৃদ্ধি কৰিছে বুলিও জানিবলৈ দিয়ে। এই সন্দৰ্ভত অতি শীঘ্ৰেই তেওঁ জিলা আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হ'ব বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে পশ্চিম এছিয়াৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত ইন্ধনৰ বজাৰত প্ৰভাৱ পৰাৰ ফলত বিভিন্ন ঠাইত ৰন্ধন গেছৰ কৃত্ৰিম নাটনিৰ সৃষ্টি হৈছে।

০০০০০

কালি নিশা দেহাৱসান ঘটা ৰাজ্যৰ প্ৰবীণ ক্ৰীড়া সাংবাদিক, বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰেমধৰ শৰ্মাৰ অন্ত্যেষ্টিক্ৰিয়া আজি দুপৰীয়া বহুসংখ্যক গুণমুগ্ধ আৰু আত্মীয় স্বজনৰ উপস্থিতিত নৱগ্ৰহ শ্মশানত সম্পন্ন হয়। নৱগ্ৰহলৈ নিয়াৰ পূৰ্বে তেওঁৰ নশ্বৰ দেহ মহানগৰীৰ পানবজাৰৰ হৰিসভা, শুক্ৰেশ্বৰ মন্দিৰ চৌহদ, টাউন ক্লাব, গুৱাহাটী প্ৰেছ ক্লাব, নেহৰু ষ্টেডিয়াম চৌহদ আৰু ট্ৰিবিউন ভৱন চৌহদলৈ নি শ্ৰদ্ধা নিবেদন কৰা হয়। আছাম ট্ৰিবিউন কাকতত ক্ৰীড়া সাংবাদিকতাৰে ৰাজ্যৰ ক্ৰীড়া সাংবাদিকতালৈ অনবদ্য বৰঙণি আগবঢ়োৱা শৰ্মাৰ বিয়োগত সংবাদ জগতৰ লগতে ক্ৰীড়া ক্ষেত্ৰতো শোকৰ ছাঁ পৰিছে। ১৯৭০ৰ পৰা ১৯৯৫ চনলৈ বৰদলৈ ট্ৰফী, স্বাধীনতা দিৱস কাপ, এ টি পি এ

শ্বিল্ড ফুটবল প্ৰতিযোগিতাৰ চলন্ত বিৱৰণী জনপ্ৰিয় কৰাত শৰ্মাই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। আকাশবাণীৰ ক্ৰীড়া বিভাগৰ সৈতেও তেওঁ বিশেষভাৱে জড়িত হৈ আছিল।

০০০০০

নলবাৰী জিলাৰ চামতাত এটা পেট্ৰ'ল পাম্পত আজি দিনৰ ভাগত ছৰ্ট ছাৰ্কিটৰ ফলত দুজন যুৱকৰ মৃত্যু হয়। চামতাৰ শিৱম  চাৰ্ভিছ্ ষ্টেছন নামৰ তেল ডিপ'টোৰ কৰ্মচাৰী মৃত যুৱক দুজন জিলাখনৰ কুলবিলৰ হেমাংগ তালুকদাৰ আৰু সাহপুৰৰ মৃন্ময় বৰ্মন বুলি চিনাক্ত কৰা হৈছে। দুয়োজন যুৱকৰ এই কৰুণ মৃত্যুত তেল ডিপ'টোত উত্তেজনাৰ সৃষ্টি হোৱাৰ লগতে অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০

ভাৰতে ২০২৬ৰ এফ আই এইচ হকী মহিলা বিশ্বকাপত অংশগ্ৰহণৰ বাবে যোগ্যতা অৰ্জন কৰিছে। হায়দৰাবাদত চলি থকা কোৱালিফায়িং প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰাৰ লগে লগে হকী বিশ্বকাপত ভাৰতৰ অংশগ্ৰহণ নিশ্চিত হৈ পৰে। হায়দৰাবাদত আজি সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া চেমিফাইনেলত ভাৰত ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এইবাৰ নৱমবাৰৰ বাবে ভাৰতে এফ আই এইচ মহিলা বিশ্বকাপত অংশগ্ৰহণৰ সুযোগ লাভ কৰে। নিয়ম অনুসৰি হায়দৰাবাদ আৰু ছিলিৰ ছান্তিয়াগোত চলি থকা এফ আই এইচ হকী মহিলা বিশ্বকাপৰ কোৱালিফায়িং খেলসমূহৰ পৰা শীৰ্ষ স্থানৰ সাতটা দলক সমাগত মহিলা হকী বিশ্বকাপত অংশগ্ৰহণৰ বাবে নিৰ্বাচিত কৰা হয়। কোৱালিফায়িং পৰ্যায়ৰ দুয়োখন প্ৰতিযোগিতাৰে শীৰ্ষৰ তিনিটা দল আৰু চতুৰ্থ স্থানত থকা দলটোৱে অহা ১৫ৰ পৰা ৩০ আগষ্টলৈ বেলজিয়াম আৰু নেডাৰলেণ্ডছত হ'বলগীয়া মূল খেলসমূহত অংশগ্ৰহণ কৰিব পাৰিব।

০০০০০

ঃঃ সমাপ্ত ঃঃ